## শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
## মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ তৃতীয়    বিষয় ঃ ভাষা-১ (অসমীয়া)    দ্বিতীয় সাময়িকী (এপ্ৰিল, মে', জুন), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - পঠন কৌশল (গুণোৎসৱ-২০১৭ ৰ ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰ ঃ**

(ক) শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা।

(খ) পঢ়ি যোৱা কথাবোৰ বুজি পোৱাৰ লগতে পাঠৰ যিকোনো প্ৰশ্নৰ উত্তৰ দিব পৰা।

(গ) পাঠ বহিৰ্ভূত যিকোনো দফা পঢ়ি, দফাৰ বিষয়ে প্ৰশ্ন সুধিলে ক'ব পৰা।

**শৈক্ষিক দিনপঞ্জী অনুসৰি দ্বিতীয় সাময়িকী (এপ্ৰিল, মে, জুন -২০১৮) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | |
|---|---|
| ক) আগলি বাঁহত বগলীৰ বাহ | - পাঠ নং ৪ |
| খ) মাকণৰ চিঠি | - পাঠ নং ৫ |
| গ) ময়ূৰপক্ষীৰ জন্ম কাহিনী | - পাঠ নং ৬ |
| ঘ) সৱৰমতী আশ্ৰমত গান্ধীজী | - পাঠ নং ৭ |
| ঙ) গাই গাই যাওঁ | - পাঠ নং ৮ |

**পাতনি ঃ**

এই সমলসামগ্ৰীত "শিক্ষাৰ অধিকাৰ আইন - ২০০৯" অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে। পঠনৰ মূল লক্ষ্যই হ'ল অৰ্থবোধৰ স্তৰলৈ পঠনক উন্নীত কৰা। বিদ্যালয়ত পতা গুণোৎসৱৰ মূল্যায়নৰ তথ্য অনুযায়ী ছাত্ৰ-ছাত্ৰীসকলৰ দুৰ্বল হিচাপে চিহ্নিত কৰা ক্ষেত্ৰ হ'ল পঠনৰ অপাৰগতা। প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ হিচাপে চিহ্নিত এই দিশবোৰ হ'ল - (ক) সকলো আখৰ চিনি নোপোৱা আৰু পাঠৰ আখৰবোৰৰ প্ৰকৃত উচ্চাৰণ কৰিবলৈ অসমৰ্থতা (খ) যুক্তাক্ষৰ চিনি নোপোৱা আৰু সেইবোৰৰ গঠন বা ভঙা কৌশল আয়ত্ত কৰিব নোৱাৰা; লগতে তাৰ শুদ্ধ উচ্চাৰণ একক বা সামূহিকভাৱে কৰিব নোৱাৰা (গ) বাক্যত থকা বিবিধ শব্দৰ শুদ্ধ উচ্চাৰণ কৰিব নোৱাৰা, (ঘ) ছাত্ৰ-ছাত্ৰীসকলে বাক্যসমূহ যতি বিৰামৰ সংগতি ৰাখি শুদ্ধভাৱে পঢ়িব নোৰৰা, (ঙ) হাতে লিখা শব্দ বা বাক্য পঢ়িব নোৰৰা আৰু (চ) পঠন সামগ্ৰীৰ অন্তৰ্নিহিত অৰ্থোদ্ধাৰ কৰিব নোৰৰা। প্ৰাথমিক স্তৰত পঠন দক্ষতা অৰ্জন নকৰা বাবেই ছাত্ৰ-ছাত্ৰীসকলে পাঠভিত্তিক মৌখিক প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ অপাৰগ হোৱা দেখা যায়। তথ্যৰ ভিত্তিত জনা যায় যে ৭৯% ছাত্ৰ-ছাত্ৰীয়ে পঠন দক্ষতা অৰ্জনত কোনো প্ৰকাৰে হ'লেও আশাব্যঞ্জক ফল দেখুৱাব পৰা নাই। তেওঁলোকে পঢ়োঁতে দীঘলীয়া শব্দ বা যুক্তাক্ষৰথকা শব্দসমূহ ঘেঁহাই পঢ়ে বা মাজে মাজে শব্দ এৰি গৈ বা অশুদ্ধকৈ উচ্চাৰণ কৰি পঠন কাৰ্য সম্পাদন কৰে, যাৰ ফলত মানবিশিষ্ট শিকন লক্ষ্যত ছাত্ৰ-ছাত্ৰী উপনীত হ'ব পৰা নাই। শ্ৰেণীকক্ষৰ পৰ্যাপ্ত অনুশীলনে পঠন দক্ষতা আয়ত্ত কৰাত ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰে। সেয়ে শিক্ষকসকলে এই শিক্ষণ-শিকন সামগ্ৰীক ছাত্ৰ-ছাত্ৰীসকলৰ পঠন দক্ষতা বঢ়োৱাৰ আহিলা হিচাপে গ্ৰহণ কৰিব পাৰিব।

পঠন বুলি ক'লে আখৰ চিনি পোৱা, সেইবোৰৰ শুদ্ধ উচ্চাৰণ কৰিব পৰা, লগতে ধ্বনিসমূহৰ যোগেৰে

সংগঠিত শব্দসমূহ পঢ়িব পৰা আৰু শেষত শব্দৰ সমাহাৰেৰে গঠিত বাক্যসমূহৰ পঠন দক্ষতা আহৰণ কৰি তাৰ অন্তৰ্নিহিত অৰ্থোদ্ধাৰ কৰা বুজায়। সামগ্ৰিকভাৱে পঠন মানে বাক্যৰ যথাৰ্থ অৰ্থবোধসহ পঢ়িব পৰাকে বুজায়। যিসকল ছাত্ৰ-ছাত্ৰীয়ে সাৱলীলভাৱে পঢ়িব পাৰে তেনে ছাত্ৰ-ছাত্ৰীয়ে পাঠৰ বিষয়বস্তু কম সময়তে আহৰণ কৰিব পাৰে। অৰ্থাৎ পঠন দক্ষতাই শিকনক প্ৰভাৱিত কৰি ৰাখে। সেয়েহে প্ৰাথমিক পৰ্যায়ত ভাষা শিকনত পঠন কৌশল আয়ত্ত কৰাৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব।

**ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম ঃ**

লিখিত পাঠ পঢ়ি বুজি পোৱাটোৱেই হৈছে পঠনৰ মূল লক্ষ্য। ভাষা শিকনত পঠন কৌশলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

- ⇨ ভাষা শিকনৰ বাহিৰেও অন্যান্য বিষয়ৰ জ্ঞান আহৰণ কৰিবলৈ হ'লে ছাত্ৰ-ছাত্ৰীৰ পঠন দক্ষতাৰ প্ৰয়োজন।
- ⇨ যিহেতু ব্যক্তি এগৰাকীয়ে ভাষাৰ জৰিয়তে চিন্তা-চৰ্চা কৰে সেয়েহে ব্যক্তিৰ পঠন অবিহনে তেওঁৰ চিন্তা-চৰ্চা কৰাৰ দক্ষতাও সীমিত হৈ থাকে।

**এই সমল সামগ্ৰীটোৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ?**

- ⇨ সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ নিশ্চিত কৰিব পৰাকৈ ক্ৰিয়া-কলাপ আৰু অনুশীলনৰ আগতীয়া পৰিকল্পনা কৰিব পাৰিম।
- ⇨ আৰম্ভণিৰে পৰা পঠনৰ ওপৰত গুৰুত্ব দিবলৈ চেষ্টা কৰিম।
- ⇨ পঠনৰ দুৰ্বল দিশসমূহ চিনাক্ত কৰি অভ্যাস আৰু অনুশীলনৰ যোগেদি দূৰীকৰণৰ বাবে চেষ্টা কৰিম।
- ⇨ শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ অবিৰত মূল্যায়ন কৰিব পাৰিম।

**পঠন দক্ষতা বিকাশৰ ব্যৱস্থাৱলী ঃ**

- ⇨ শুদ্ধকৈ উচ্চাৰণ কৰি পঢ়িব পৰা।
- ⇨ পাঠ পঢ়ি বুজি পোৱা।
- ⇨ পাঠ্যপুথিৰ উপৰি পাঠ বহিৰ্ভূত লিখনি (ছপা) পঢ়ি বুজি পোৱা।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ আৰ্হিমূলক এটা ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল -**

| মুক্ত শৈক্ষিক সমল - ভাষা (অসমীয়া) | | | | |
|---|---|---|---|---|
| **শিকনৰ ফলাফল** | **সামগ্ৰী** | **শিকন প্ৰক্ৰিয়া** | **প্ৰশ্নাৱলী** | **মূল্যায়ন** |
| ১)ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উচ্চৰণেৰে পঢ়িব পৰা। | ⇨ সমলটোত থকা চিঠিখন। | ক্ৰিয়া-কলাপ | ১) চিঠিখন পঢ়ি উত্তৰ দিয়া -<br>ক) চিঠিখন কোনে লিখিছিল?<br>খ) ৰীমাহঁতে ফুৰিবলৈ যোৱা ঠাইখনৰ নাম কি?<br>গ) ৰংঘৰ কাৰেংঘৰ কাৰ দিনত সজোৱা হৈছিল। | অবিৰত আৰু সামগ্ৰীক মূল্যায়ন |
| ২)ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি যোৱা কথাবোৰ বুজি পোৱাৰ লগতে পাঠৰ যি কোনো প্ৰশ্নৰ উত্তৰ দিব পৰা। | ⇨বাতৰি-কাকতৰ পৰা কাটি লোৱা বাৰ্তা।<br>⇨ছবি আৰু বাক্য কাৰ্ড<br>⇨পাঠ্যপুথি | ক্ৰিয়া-কলাপ | ২) তলত দিয়া বাক্যবোৰ শুদ্ধকৈ সজোৱা।<br>ক) বুদ্ধদেৱৰ নাম সিদ্ধাৰ্থ আন এটা।<br>খ) অসমীয়া বোলছবি হ'ল প্ৰথম জয়মতী।<br>গ) উদয় হয় সূৰ্য পূৱপিনে।<br>ঘ) বৈ গৈছে ব্ৰহ্মপুত্ৰ অসমৰ মাজেদি। | |
| ৩)পাঠ বহিৰ্ভূত যিকোনো দফা(ছপা আৰু হাতে লিখা) পঢ়ি, দফাৰ বিষয়ে প্ৰশ্ন সুধিলে ক'ব পৰা। | ⇨আলোচনী, হাতেলিখা দফা | ক্ৰিয়া-কলাপ | ৩) আলোচনীৰ গল্প এটা পঢ়ি তাৰ বিষয়ে কি বুজিলা? | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

**প্ৰস্তুতিঃ**

**শিক্ষণ-শিকন সামগ্ৰী -**

পেপাৰ কাৰ্টিং, আঠা আৰু বাতৰি-কাকত।

জগদীশ ৰায় এজন ধুবুৰী অঞ্চলৰ প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ শিক্ষক। তেখেত বিদ্যালয়খনলৈ নতুনকৈ আহিছে। অসমীয়া ভাষাৰ শিক্ষক হিচাপে এজন অভিজ্ঞ শিক্ষক। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক ভাষা পঢ়ুৱাবলৈ গৈ তেখেতে দেখিলে যে ছাত্ৰ-ছাত্ৰীয়ে পাঠ্যপুথিৰ পাঠ ঘেঁহাই ঘেঁহাই পঢ়ে আৰু পঢ়া কথা তেওঁলোকে ভালদৰে বুজি নাপায়। এনেকুৱা ক্ষেত্ৰত তেখেতে কেনেধৰণৰ ব্যৱস্থা লৈছে চাওঁ আহকচোন।

জগদীশ ৰায় ছাৰে ছাত্ৰসকলৰ বাবে মনোগ্ৰাহী ভাষা শিক্ষণৰ শ্ৰেণীকক্ষ এটা সজ্জিত কৰাৰ কৌশল হাতত ল'লে। এদিন ৰাতিপুৱা সোনকালে স্কুললৈ আহি বহু পুৰণি আকৰ্ষণীয় বাতৰি-কাকতৰ বাৰ্তাসমূহ কাটি বেৰত আঠা লগাই দিলে। বিবিধ শিতানক সামৰি লোৱা এই পেপাৰ কাটিংসমূহে এক অভিনৱ পৰিৱেশ সৃষ্টি কৰিলে। মাজে মাজে আকৌ ছবি, ক'ৰবাত আকৌ হাতে লিখা সুন্দৰ তথ্যৰ লেখা বেৰত আঠা লগাই থ'লে। মুঠতে শ্ৰেণীকক্ষটো বিবিধ পঠন সামগ্ৰীৰে পৰিপূৰ্ণ কৰি তুলিলে। সজাই পৰাই ৰখা কোঠাটো তেওঁ নিজেই দূৰৈৰ পৰা লক্ষ্য কৰি থাকিল। এজন দুজনকৈ অহা ছাত্ৰ-ছাত্ৰীসকল শ্ৰেণীকক্ষত সোমাই হঠাতে হোৱা পৰিৱৰ্তন দেখি সচকিত হ'ল। তেওঁলোকে কিতাপ-পত্ৰবোৰ বেঞ্চত থৈ বেৰতনো কি লগাইছে চাবলৈ ধৰিলে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অভিৰুচি অনুসাৰে লগাই থোৱা পেপাৰ কাটিংসমূহ পঢ়িবলৈ যত্ন কৰিলে। বহুসময় ধৰি হৈ থকা এই কাৰ্য চাবলৈ ৰায় ছাৰ হঠাতে আহি শ্ৰেণীকোঠাত উপস্থিত হ'ল। তেখেতে ছাত্ৰ-ছাত্ৰীসকলে জুম বান্ধি বিভিন্ন শিতান পঢ়ি থকা দেখিবলৈ পালে। তেখেত ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰলৈ গ'ল। তেওঁলোকৰ প্ৰতিক্ৰিয়া জানিবলৈ বিচাৰিলে। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অভিৰুচি অনুসাৰে পঢ়িবলৈ পাই আনন্দ প্ৰকাশ কৰিছে আৰু নজনা কথাবোৰ ছাৰৰ পৰা জানিবলৈ আগ্ৰহ প্ৰকাশ কৰিছে।

তেওঁলোকক তেখেতে বাতৰি-কাকতৰ শিশু চ'ৰা পঢ়িবলৈ উদগনি দিলে। ইয়াৰ পিছত ছাত্ৰ-ছাত্ৰীসকলেও বিদ্যালয়ত থকা বাতৰি-কাকতখন আজিকালি পঢ়িবলৈ যত্ন কৰা হ'ল। নোৰৱাবোৰে ছাৰক সুধি লোৱা হ'ল।। তেখেতৰ উদ্দেশ্য সফল হ'ল।

*বিঃ দ্ৰঃ জগদীশ ৰায়ে শ্ৰেণীকোঠাত থকা দুজন বিশেষভাৱে সক্ষম ছাত্ৰৰ প্ৰতি বিশেষ গুৰুত্ব দিছে।*

**চিন্তা কৰি চাওঁ আহক ঃ**

⇨ জগদীশ ৰায় ছাৰে পঠনৰ দুৰ্বলতা দূৰ কৰিবলৈ যি প্ৰচেষ্টা ল'লে,ময়ো তেনেধৰণৰ ক্ৰিয়া-কলাপ কৰিব নোৱাৰোঁ নে?

⇨ ছাত্ৰ-ছাত্ৰীয়ে ৰায় ছাৰৰ ক্ৰিয়া-কলাপটো কৰি আনন্দ উপভোগ কৰিছেনে?

⇨ পাঠ্যপুথি ব্যৱহাৰ নকৰাকৈ ৰায় ছাৰে কেনেকৈ শিক্ষণ-শিকন সামগ্ৰী প্ৰস্তুত কৰিলে?

জগদীশ ৰায় ছাৰে কৰাৰ দৰে ময়ো শ্ৰেণীকক্ষত এনেকুৱা ক্ৰিয়া-কলাপ কৰোঁচোন —

**প্ৰস্তুতি ঃ**

এই ক্ৰিয়া-কলাপটো শ্ৰেণীকোঠাত আদান-প্ৰদানৰ কাৰণে আমি তলত দিয়া ধৰণে কিছুমান শিক্ষণ-শিকন সামগ্ৰী আগতীয়াকৈ প্ৰস্তুত কৰি ল'ব পাৰোঁ।

⇨ বাক্য কাৰ্ড

⇨ সাধুকথা লিখা চাৰ্ট

⇨ সাধুকথাটোৰ প্ৰতিটো বাক্যৰে এখনকৈ কাৰ্ড

**ক্ৰিয়া-কলাপ ঃ**

মই পঠনৰ দুৰ্বলতা দূৰ কৰিবলৈ শ্ৰেণীকক্ষৰ ক্ৰিয়া-কলাপ হিচাপে আলোচনী, বাতৰি-কাকতৰ বিভিন্ন বিজ্ঞাপনৰ পৰা সংগ্ৰহ কৰা (ছবি+বাক্য-ৰ) কাৰ্ড প্ৰস্তুত কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ একোটা দুজনীয়া দল গঠন

কৰি কাৰ্ডসমূহ দলত ভগাই দিলোঁ। দলে পোৱা কাৰ্ডখন ছাত্ৰ-ছাত্ৰীসকলক কিছুসময় নিৰীক্ষণ কৰি পঢ়িবলৈ দিলোঁ। প্ৰত্যেক দলে নিৰীক্ষণ কৰি পঢ়াৰ পাছত দলবোৰৰ পৰা এজন এজনকৈ থিয় হ'বলৈ কৈ ডাঙৰকৈ পঢ়িবলৈ দিলোঁ। কোনোবাই নোৱাৰিলে বা কাৰোবাৰ খোকোজা লাগিলে মই সহায় কৰি দিওঁ। সেই দলৰে আন এজনে লগৰজনে পঢ়া পাঠ খিনি শুনি বুজাই ক'বলৈ চেষ্টা কৰে। এইদৰে প্ৰতিটো দলেই নিজৰ ভাগত পৰা কাৰ্ডখন পঢ়ে আৰু আনজনে কি পঢ়িছে বুজাই দিয়ে। মই প্ৰতিটো দলে পঢ়া বাক্যবোৰ ব'ৰ্ডত লিখি দলৰ নাম লিখি যাওঁ। শেষত মই প্ৰতিটো দলৰ নামৰ বিপৰীতে থকা কথাখিনিৰ কাৰ্ডখন সকলোকে দেখুৱাই ডাঙৰ ডাঙৰকৈ পঢ়ি দিওঁ। এইদৰে মই বেলেগ বেলেগ কাৰ্ড লৈ ছাত্ৰ-ছাত্ৰীক প্ৰতিদিনেই ক্ৰিয়া-কলাপ আৰু অনুশীলন কৰাওঁ। অৱশেষত ছাত্ৰ-ছাত্ৰীৰ পঠনৰ ক্ষেত্ৰত থকা দুৰ্বলতা বহুখিনি কমি গ'ল।

ছাত্ৰ-ছাত্ৰীৰ পঠন আৰু বোধশক্তিৰ বিকাশৰ বাবে আগতীয়াকৈ তৃতীয় শ্ৰেণীৰ পাঠৰ আলমত আঠটা বাক্যৰ এটা সাধু চাৰ্টত লিখি ল'ম।। সাধুটো হ'ল —

'এদিনাখন হলধৰে চৰাই ধৰিবলৈ মন কৰিছিল। সেই উদ্দেশ্যে তেওঁ চৰাইজাক গোট খোৱা পথাৰখনত খাদ্য ছটিয়াই থৈছিল। সদায় অহাৰ দৰে সেইদিনাখনো চৰাইজাক আহিছিল আৰু পথাৰত সিচঁৰিত হৈ থকা খাদ্যবোৰ খাইছিল। চেগ চাই হলধৰে চৰাইজাকৰ ওপৰত জালখন মেলি দিছিল। চৰাইবোৰ জালখনত বন্দী হ'ল। চৰাইজাকে জালৰ পৰা মুকলি হোৱাৰ উপায় চিন্তা কৰিলে। সিহঁত সকলোৱে মিলি এটা বুদ্ধি উলিয়ালে। চৰাইজাকে একেলগে জালখন ওপৰলৈ উৰুৱাই লৈ গ'ল।'

সাধুটোত থকা প্ৰতিটো বাক্য কাৰ্ডত লিখি শিকন কোণত থলোঁ। প্ৰথমতে মই চাৰ্টত লিখা সাধুটো বেৰত আঁৰি দি এজন এজনকৈ সকলো ছাত্ৰ-ছাত্ৰীকে ডাঙৰকৈ পঢ়িবলৈ দিলোঁ। পুনৰ সাধু চাৰ্টখন আনি শিকন কোণত থৈ দিলোঁ।

এইবাৰ শিকন কোণত থকা সাধুটোৰ বাক্য কাৰ্ডসমূহ বিভিন্ন দলৰ মাজত একোখনকৈ ভাগ কৰি দিলোঁ। দলসমূহৰ পৰা যিকোনো এজনক মাতি তেওঁলোকৰ ভাগত পৰা বাক্য কাৰ্ডখনত থকা বাক্যটো বোৰ্ডত লিখিবলৈ দিলোঁ। এনেদৰে প্ৰতিটো দলৰে একোজনকৈ আহি নিজৰ ভাগত পৰা বাক্য কাৰ্ডখনৰ বাক্যটো ব'ৰ্ডত লিখি দিলে। এতিয়া কেইজনমান ছাত্ৰ-ছাত্ৰীক মাতি আনি ব'ৰ্ডত লিখা শাৰীবোৰ পঢ়িবলৈ দি লিখা বাক্য কেইশাৰী ক্ৰম অনুসাৰে সজোৱা হৈছেনে নাই পৰ্য্যৱেক্ষণ কৰিবলৈ দিলোঁ। পুনৰ চাৰ্টত থকা সাধুটো বেৰত আঁৰি দিলোঁ আৰু সাধুটোৰ আলমত ব'ৰ্ডত থকা বাক্য কেইশাৰী ক্ৰম অনুসৰি ছাত্ৰ-ছাত্ৰীক সজাবলৈ দিলোঁ।

*বিঃ দ্ৰঃ শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বিশেষ গুৰুত্ব দিব লাগিব।*

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে শুদ্ধ উচ্চাৰণেৰে পঢ়িব পাৰিছে।
⇨ পঢ়ি যোৱা পাঠবোৰ পঢ়ি, বুজি পাঠৰ যিকোনো প্ৰশ্নৰ উত্তৰ দিব পাৰিছে।
⇨ পাঠ বহিৰ্ভূত দফা পঢ়ি, দফাৰ বিষয়ে সোধা প্ৰশ্নৰ উত্তৰ দিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ শিকনৰ দৃঢ়ীকৰণৰ বাবে তলত দিয়া চিঠিখন পঢ়ি তাৰ আধাৰত তলত দিয়া প্ৰশ্নবোৰ কৰি চাওঁ আহক।

'মৰমৰ গীতালী, গুৱাহাটী - ০২.১১.২০১৭

মৰম ল'বা। তোমাৰ খবৰ ভাল নিশ্চয়। ভগবানৰ কৃপাত আমিও ভালে আছোঁ।

এইবাৰ তুমি পূজাৰ বন্ধ কেনেদৰে কটালা ? মই মাহঁতৰ লগত শিৱসাগৰলৈ গৈছিলোঁ। তাত ৰংঘৰ, কাৰেংঘৰ, শিৱ দৌল, বিষ্ণু দৌল আৰু দেৱী দৌল চাইছিলোঁ। এই আটাইবোৰেই আহোম ৰজাৰ দিনত নিৰ্মাণ কৰা। তুমিও পাৰিলে অহাবাৰ পূজাৰ বন্ধত চাবলৈ আহিবা।

উত্তৰ দিবা। আজিলৈ এৰিছোঁ।

ইতি -
তোমাৰ বান্ধৱী
ৰীমা

**চিঠিখন পঢ়ি উত্তৰ দিয়া —**

➪ চিঠিখন কোনে লিখিছিল?

➪ ৰীমাহঁতে ফুৰিবলৈ যোৱা ঠাইখনৰ নাম কি?

➪ ৰংঘৰ, কাৰেংঘৰ কাৰ দিনত নিৰ্মিত হৈছিল?

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

তলত দিয়া বাক্যবোৰ শুদ্ধকৈ সজোৱা —

➪ বুদ্ধদেৱৰ নাম সিদ্ধাৰ্থ আন এটা।

➪ অসমীয়া বোলছবি হ'ল প্ৰথম জয়মতী।

➪ উদয় হয় সূৰ্য পূৱফালে।

➪ বৈ গৈছে ব্ৰহ্মপুত্ৰ নৈ অসমৰ মাজেদি।

**খালী ঠাই পূৰ কৰা ঃ**

➪ গ +...........= গ্ধ

➪ স +...........+ৰ = স্ত্ৰ

➪ ........... + ........... = স্ক

➪ ঞ +ছ = ...........

**তলত দিয়া শব্দবোৰৰ অৰ্থ লিখি বাক্য ৰচনা কৰা —**

বন্ধ, বস্ত্ৰ, ভাস্কৰ, নিমন্ত্ৰণ

**প্ৰসংগ পুথি ঃ**

➪ পাঠ্যপুথি - অংকুৰণ।

➪ বাতৰি-কাকত, আলোচনী, সাধুকথা

➪ চন্দ্ৰকান্ত, হেমকোষ অভিধান।

➪ অসমীয়া ভাষাৰ ব্যাকৰণ - ডঃ গোলক চন্দ্ৰ গোস্বামী

❑❑❑